# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-09-2024 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সম্বোধন কৰিব।

২। ৰাজ্যিক মন্ত্ৰীসভাই উচ্চ মাধ্যমিকৰ ৪ হাজাৰ ৬০০ৰো অধিক ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ চাকৰি প্ৰায় নিয়মীয়াকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভূপৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা হ্ৰস্ব দূৰত্ব ভেদি **ভি এল এছ আৰ এছ এ এম** সফল পৰীক্ষণৰ বাবে প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা, ভাৰতীয় নৌ সেনা আৰু সংশ্লিষ্ট সকলো পক্ষকে ভূয়সী প্ৰশংসা কৰিছে।

৪। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মণ্ডাভিয়াই ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা খেলুৱৈসকলক আৰ ই এছ্ ই টি কাৰ্যসূচীৰ বাবে আবেদন জনাবলৈ আহ্বান জনাইছে।

আৰু

৫। ভাৰতৰ তনিছা ক্ৰাষ্টো আৰু ধ্ৰুৱ কপিলাৰ যুটিটো ভিয়েটনাম অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছ্‌ৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত ৰাজভাষাৰ হীৰক জয়ন্তী সমাৰোহ আৰু চতুৰ্থ অখিল ভাৰতীয় ৰাজভাষা সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত সম্বোধন কৰিব। ৰাজভাষা বিভাগে হিন্দী ভাষা ৰাজভাষা হিচাপে স্বীকৃতি পোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সন্মিলনৰ আয়োজন কৰিছে। হিন্দী দিৱস উপলক্ষে কাইলৈ শ্ৰীশ্বাহে ৰাজভাষা ভাৰতী আলোচনীৰ হীৰক জয়ন্তী বিশেষ সংস্কৰণ উন্মোচন কৰিব আৰু ৰাজভাষা গৌৰৱ তথা ৰাজভাষা কীৰ্তি বঁটাসমূহ প্ৰদান কৰিব। হীৰক জয়ন্তী অধিক স্মৰণীয় কৰি তোলাৰ উদ্দেশ্যে অনুষ্ঠানত এটা স্মাৰক ডাক টিকট আৰু স্মাৰক মুদ্ৰা জাৰি কৰা হ'ব।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি অবৈধ সুৰা নীতি কেলেংকাৰি সংক্ৰান্তত চি বি আয়ে ৰুজু কৰা এটা গোচৰত দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ জামিন মঞ্জুৰ কৰিছে। ন্যায়ালয়ে ১০ লাখ টকা জমা দিয়াৰ চৰ্তসাপেক্ষে শ্ৰী কেজৰিৱালৰ জামিন মঞ্জুৰ কৰে। উচ্চতম ন্যায়ালয়ে লগতে এই ঘটনা সন্দৰ্ভত শ্ৰী কেজৰিৱালে যাতে কোনোধৰণৰ ৰাজহুৱা মতামত প্ৰকাশ নকৰিবলৈ চৰ্ত বান্ধি দিছে। ইয়াৰ লগতে পৰৱৰ্তী শুনানিসমূহত তেওঁক উপস্থিত থাকিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিছে।

ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাক লৈ গঠিত দুজনীয়া বিচাৰপীঠে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এই দুৰ্নীতি সন্দৰ্ভত চি বি আয়ে ৰুজু কৰা গোচৰৰ প্ৰত্যাহ্বান জনাই তেওঁৰ জামিনৰ বাবে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে পৰহি দিল্লী ন্যায়ালয়ে সুৰা নীতি, দুৰ্নীতি সন্দৰ্ভত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ অহা ২৫ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে।

উল্লেখযোগ্য যে বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত ক'লা ধন বৈধকৰণ গোচৰ সন্দৰ্ভত আপৰ নেতাগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত ২৬ জুনত অভিযুক্ত দুৰ্নীতি সন্দৰ্ভত চি বি আয়ে কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। ১২ জুলাইত উচ্চতম ন্যায়ালয়ে কেজৰিৱালৰ অন্তৰ্বৰ্তী জামিন মঞ্জুৰ কৰে আৰু তেওঁ বৰ্তমান চি বি আইৰ ন্যায়িক জিম্মাত আছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভূপৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ নিক্ষেপ কৰিব পৰা হ্ৰস্ব দূৰত্ব ভেদি **ভি এল এছ আৰ এছ এ এম** সফল পৰীক্ষণৰ বাবে প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা, ভাৰতীয় নৌ সেনা আৰু সংশ্লিষ্ট সকলো পক্ষকে ভূয়সী প্ৰশংসা কৰিছে। শ্ৰীসিঙে কৈছে যে অত্যাধুনিক প্ৰযুক্তিৰে সুসজ্জিত এই ক্ষেপনাস্ত্ৰবিধে সশস্ত্ৰ বাহিনীসমূহক প্ৰযুক্তিগত সামৰ্থ্য বৃদ্ধি কৰিব। প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা তথা ভাৰতীয় নৌসেনাই **ভি এল এছ আৰ এছ এ** ক্ষেপনাস্ত্ৰ প্ৰণালীৰ একেৰাহে দুটাকৈ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। ওড়িশাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা কালি ক্ষেপনাস্ত্ৰবিধৰ দ্বিতীয়টো পৰীক্ষা সম্পূৰ্ণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে পৰীক্ষণ কালত ক্ষেপনাস্ত্ৰবিধে আকাশমাৰ্গৰ উচ্চ গতিসম্পন্ন লক্ষ্যত নিখুঁতভাৱে এই পৰীক্ষাই অকল অস্ত্ৰপ্ৰণালীৰ নিৰ্ভৰযোগ্যতা প্ৰতিপন্ন কৰাই নহয়, বৰং শেহতীয়াকৈ মিছাইল ক্ষেপনাস্ত্ৰ প্ৰযুক্তিৰ ক্ষেত্ৰত হোৱা প্ৰগতিকো প্ৰতিফলিত কৰিছে। ইয়াৰ পূৰ্বে যোৱা ১২ ছেপ্তেম্বৰত **ভি এল এছ আৰ এছ এ এম** প্ৰণালীৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰা হৈছিল।

ooooooooo

ৰাজ্যিক মন্ত্ৰীসভাই উচ্চ মাধ্যমিকৰ ৪ হাজাৰ ৬০০ৰো অধিক ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ চাকৰি প্ৰায় নিয়মীয়াকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিয়ম বাধ্যতামূলক নহয় আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে ইচ্ছা কৰিলে পূৰ্বৰ দৰে ঠিকাভিত্তিক শিক্ষক হিচাপে কাম কৰাৰ বিকল্প গ্ৰহণ কৰিব পাৰিব। মন্ত্ৰীসভাই লগতে ১৯ ছেপ্তেম্বৰত দুখন আঁচনি আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। ইয়াৰ প্ৰথমখন আঁচনিৰ অধীনত ১২ লাখ ৬০ হাজাৰ হিতাধিকাৰীক অৰুণোদয় আঁচনিত সংলগ্ন কৰা হ'ব। এই হিতাধিকাৰীসকলে ১০ জানুৱাৰীৰ ভিতৰত প্ৰথম কিস্তিৰ ধন লাভ কৰিব। দ্বিতীয়খন আঁচনিৰ অধীনত ১৭ লাখ নতুন লোকক ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীসভাই কোকৰাঝাৰত ষ্টেডিয়াম নিৰ্মাণৰ বাবে ১০৭ কোটি টকাত অনুমোদন জনাইছে। একেদৰে ডাউন টাউনৰ উৰণীয়া সেঁতুৰ বাবে ১১১ কোটি টকাত অনুমোদন দিছে। ইফালে চিৰিয়াখানা উন্নয়নৰ বাবে মন্ত্ৰীসভাই ৩৬২ কোটি টকাত অনুমোদন জনাইছে। চিৰিয়াখানাই দুটা কিস্তিত এই ধন লাভ কৰিব।

ooooo

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ ৭৯ সংখ্যক অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ বাবে কেমেৰুণৰ প্ৰধানমন্ত্ৰী ফিলেমোন য়াঙক অভিনন্দন জনাইছে। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কৈছে যে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ নেতৃত্ব উন্নয়নশীল দেশৰ অগ্ৰাধিকাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ। তেওঁ

লগতে কয় যে ভাৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ নতুন নেতৃত্বৰ অধীনত এই উমৈহতীয়া লক্ষ্যসমূহত উপনীত হোৱাৰ বাবে ইতিবাচক ভূমিকা পালন কৰিবলৈ বদ্ধপৰিকৰ। ইয়াৰ পূৰ্বে যোৱা ৬ জুনত ফিলেমোন য়াঙক নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত সাধাৰণ সভাত ৭৯ সংখ্যক অধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হৈছিল।

000000000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মণ্ডাভিয়াই ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা খেলুৱৈসকলক নতুনকৈ আৰম্ভ কৰা অৱসৰপ্ৰাপ্ত খেলুৱৈ সবলীকৰণ প্ৰশিক্ষণ আৰু ই এছ্ ই টি কাৰ্যসূচীৰ বাবে আবেদন জনাবলৈ আৰু দেশৰ খেলতন্ত্ৰত সক্ৰিয় আবেদন আগবঢ়াবলৈ আহ্বান জনাইছে। ক্ৰীড়াৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে আলোকপাত কৰি ডঃ মাণ্ডাভিয়াই কয় যে অৱসৰপ্ৰাপ্ত খেলুৱৈ সবলীকৰণ প্ৰশিক্ষণ কাৰ্যসূচী দেশৰ অৱসৰপ্ৰাপ্ত খেলুৱৈসকলক স্বীকৃতি প্ৰদান আৰু তেওঁলোকৰ সবলীকৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ ৰূপে পৰিগণিত হৈছে। বৰ্তমানৰ আৰু অৱসৰপ্ৰাপ্ত খেলুৱৈসকলৰ মাজৰ ব্যৱধান দূৰ কৰা আৰু অৱসৰপ্ৰাপ্ত খেলুৱৈসকলৰ দক্ষতা আৰু অভিজ্ঞতাৰ পৰা উদীয়মান খেলুৱৈসকলক উপকৃত কৰাই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। এই কাৰ্যসূচী আন্তঃৰাষ্ট্ৰীয় পদক বিজয়ী বা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা অথবা ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্যায়ত স্বীকৃতি লাভ কৰা ২০ৰ পৰা ৫০ বছৰ বয়সৰ অৱসৰপ্ৰাপ্ত খেলুৱৈৰ বাবে মুকলি থাকিব।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000000

আকাশবাণী গুৱাহাটীয়ে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে অংশকালীন সংবাদদাতা পদৰ বাবে যোগ্য প্ৰাৰ্থীৰ পৰা আবেদন বিচাৰিছে। ইচ্ছুক প্ৰাৰ্থীসকলে আবেদনৰ সবিশেষ জনাৰ বাবে আৰু আবেদন পত্ৰ ডাউনলোড কৰাৰ বাবে www.newsonair.gov.inত চাব পাৰিব। প্ৰাৰ্থীসকলে ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিসহ নিজ হাতে অথবা ডাকযোগে আকাশবাণী গুৱাহাটী কেন্দ্ৰত আবেদন পত্ৰ দাখিল কৰিব পাৰিব। আবেদন পত্ৰ প্ৰেৰণৰ ঠিকনা - The Head of Office, Akashvani Guwahati, Chandmari, Guwahati-781003।

000000000

বাংলাদেশৰ কক্স বাজাৰ জিলাত কালি নিশা তথা আজি পুৱা হোৱা পৃথক ভূমিস্খলনৰ ঘটনাত দুগৰাকী লোক নিহত হয়। কক্স বাজাৰৰ উখিয়া ৰোহিঙ্গিয়া শিবিৰত আজি পুৱা হোৱা ভূমিস্খলনৰ ঘটনাত একেটা পৰিয়ালৰে তিনিগৰাকী লোক নিহত হয়।

000000000

ভাৰতৰ তনিছা ক্ৰাষ্টো আৰু ধ্ৰুৱ কপিলাৰ যুটিটো ভিয়েটনাম অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মিক্সড ডাবলছৰ ছেমি ফাইনেলত প্ৰবেশ কৰিছে। ক্ৰাষ্টো আৰু কপিলাৰ যুটীটোৱে আজি কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰে সতীশ কুমাৰ কৰুণাকৰণ আৰু আদ্যা ৱৰিয়থৰ যুটীটোক ১৪-২১, ২১-১০, ২১-১৪ গেমত পৰাস্ত কৰে। ইপিনে, এম থাৰুনে জাপানৰ প্ৰতিদ্বন্দ্বীৰ হাতত পৰাজিত হৈ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলৰ পৰা বাহিৰ হৈছে।

000000000

**সমাপ্ত**